**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-03-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিশ্বৰ আন বিভিন্ন দেশৰ লগতে ভাৰততো আজি বিভিন্ন কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন কৰা হৈছে। নাৰী দিৱস উপলক্ষে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীকে ধৰি বিশিষ্ট ব্যক্তিসকলে দেশৰ নাৰী সমাজলৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত আজি প্ৰায় ৩৩ হাজাৰ ৫০০ কোটি টকাৰ বিভিন্ন উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

৩। নেপালত বলেন্দ্ৰ চাহ নেতৃতাধীন আৰ এচ পিয়ে চৰকাৰ গঠন কৰিবলৈ সাজু হৈছে।

৪। পশ্চিম এচিয়াত চলি থকা সংঘাতৰ পৰিপ্ৰেক্ষিতত ২৫ মাৰ্চৰ পৰা কাটাৰৰ ডোহাত হ'বলগীয়া আইচিচিৰ তিনিদিনীয়া বৈঠকখন এপ্ৰিললৈ পিছুৱাই দিয়া হৈছে।

আৰু

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

REZ-PM WOMEN-S-DAY. (08-03-2026, Midday.) - NSD

আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস। এইবেলি এই দিৱসৰ মূল মন্ত্ৰ হ'ল অধিকাৰ, ন্যায় কাৰ্য্যব্যৱস্থা। সকলো মহিলা আৰু কন্যাৰ বাবে ইয়াৰ জৰিয়তে সমগ্ৰ বিশ্বতে ন্যায় সুবিধা প্ৰদান কৰি আৰু লিংগ সমতাৰ হকে প্ৰয়োজনীয় কাৰ্য্যব্যৱস্থা ত্বৰান্বিত কৰি মহিলাসকলৰ অধিকাৰক শক্তিশালী কৰি তোলাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰা হৈছে। বিশ্বৰ আন বিভিন্ন দেশৰ লগতে ভাৰততো আজি বিভিন্ন কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন কৰা হৈছে। নাৰী দিৱস উপলক্ষে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীকে ধৰি বিশিষ্ট ব্যক্তিসকলে দেশৰ নাৰী সমাজলৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে।ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত দেশৰ সকলো নাগৰিকক বিশেষকৈ মহিলাসকলক শুভেচ্ছা জনাই শিক্ষিত আৰু সবল নাৰীসকলক সমাজ আৰু জাতিৰ ভেটি বুলি অভিহিত কৰে। সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ নাৰী শক্তিয়ে সাহসেৰে সৈতে আগবঢ়োৱা বৰঙণিৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে, সামগ্ৰিকভাৱে এখন সমৃদ্ধিশালী সমাজ গঠন কৰাৰ ক্ষেত্ৰত নাৰীসকলে বিশেষভাৱে অৰিহণা যোগাব পাৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লগতে সমাজৰ প্ৰতিগৰাকী মহিলাই সন্মান, নিৰাপত্তা আৰু স্বাধীনতাৰে আগবাঢ়ি যাব পৰাত সহায় হোৱাকৈ দায়বদ্ধতাৰে কাম কৰিবলৈ দেশৰ প্ৰতিগৰাকী নাগৰিকক আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে মহিলাসকলৰ শক্তি, সহনশীলতা আৰু সাফল্যই তেওঁলোকৰ পৰিয়াল, সমাজ তথা ৰাষ্ট্ৰৰ ভাগ্য নিৰ্ধাৰণ কৰি আহিছে। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে দেশ সকলো মহিলাকে শুভেচ্ছা জনাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে কয়, যে ভাৰতবৰ্ষৰ ইতিহাসত মহিলাসকল সাহস, প্ৰজ্ঞা আৰু সহানুভূতিৰ প্ৰতীক। দেশৰ বিজ্ঞান, শিক্ষা, উদ্যোগ, প্ৰতিৰক্ষা, ক্ৰীড়া, মহাকাশ আদি খণ্ডত মহিলাসকলৰ অৱদানৰ কথা উল্লেখ কৰি তেওঁ লগতে কয়, যে ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাত মহিলাসকলে যথেষ্ট অৰিহণা আগবঢ়াইছে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই নাৰী দিৱস উপলক্ষে দেশৰ প্ৰতিজন নাগৰিকক শুভেচ্ছা জ্ঞাপন কৰি কয় যে, স্বাধীনতা আন্দোলনৰ সময়ৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ আধুনিক ভাৰত নিৰ্মাণৰ সময়লৈকে সমাজৰ প্ৰতিটো ক্ষেত্ৰতে মহিলাসকলে শক্তিশালী ভাৱে নেতৃত্ব গ্ৰহণ কৰি আহিছে। আন্তৰাষ্ট্ৰীয় নাৰী দিৱসৰ সৈতে সংগতি ৰাখি নতুন দিল্লীৰ কনাট প্লেচত কেৱল মহিলাৰ অংশগ্ৰহণেৰে অনুষ্ঠিত এটা মটৰ চাইকেল সমদলৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰি তেওঁ এই কথা প্ৰকাশ কৰে। ৰাষ্ট্ৰ গঠনৰ ক্ষেত্ৰত মহিলা সকলে অতিশয় গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে, সম্প্ৰতি দেশৰ পঞ্চায়তৰ পৰা সংসদলৈ সকলো ক্ষেত্ৰতে মহিলাই নেতৃত্ব বহন কৰিছে আৰু ইয়াৰ জৰিয়তে দেশৰ উন্নয়নৰ ক্ষেত্ৰত শক্তিশালী বুনিয়াদে গঢ় লৈছে। আজিৰ এই অনুষ্ঠানত অংশগ্ৰহণ কৰি দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তায়ো মহিলাসকলৰ সাহস আৰু নেতৃত্ব গ্ৰহণৰ ক্ষমতাৰ শলাগ লয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দেশৰ শক্তিৰ সাফল্যক গৌৰৱৰ উৎস বুলি অভিহিত কৰি এই শক্তিক ৰাষ্ট্ৰ গঠনৰ ক্ষেত্ৰত অতিশয় গুৰুত্বপূৰ্ণ কাৰক হিচাপে আখ্যা দিয়ে। এলানি টুইট বাৰ্তাত শ্ৰী মোডীয়ে দেশৰ সমস্ত নাৰী শক্তিক শুভেচ্ছা জ্ঞাপন কৰি কয় যে উন্নতিৰ পথত আগবাঢ়ি যোৱা সময়ত এখন শক্তিশালী তথা সমৃদ্ধিশালী ৰাষ্ট্ৰ গঠনৰ সামগ্ৰিক যাত্ৰাক মহিলাসকলৰ আশা আকাংক্ষা আৰু অৱদানে পথপ্ৰদৰ্শন কৰি যাব।

গৃহমন্ত্ৰী অমিত শ্বাহেও আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে দেশৰ মহিলাসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে নাৰী শক্তিয়ে সমাজত পালন কৰা অতুলনীয় ভূমিকাৰ বাবে মানৱ জাতি সদায় ঋণী হৈ থাকিব।

oooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত আজি প্ৰায় ৩৩ হাজাৰ ৫০০ কোটি টকাৰ বিভিন্ন উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে প্ৰায় ১৮ হাজাৰ ৩০০ কোটি টকা ব্যয় সাপেক্ষ দিল্লী মেট্ৰ' প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ দিল্লী মেট্ৰ'ৰ ১২ দশমিক ৩ কিল'মিটাৰ দৈৰ্ঘ্যৰ মজলিছ পাৰ্ক-মৌজপুৰ বাবৰপুৰ কৰিড'ৰ আৰু ৯ দশমিক ৯ কিল'মিটাৰ দৈৰ্ঘ্যৰ দীপালী চ'ক-মজলিছ পাৰ্ক কৰিড'ৰ উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে দিল্লী মেট্ৰ'ৰ ১৬ কিল'মিটাৰৰো অধিক দৈৰ্ঘ্যৰ আন ৩ টা নতুন কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ১৫ হাজাৰ ২০০ কোটি টকাৰ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

এই নতুন প্ৰকল্পসমূহে নতুন দিল্লীৰ বুৰাৰী, জগতপুৰ-ৱাজিৰাবাদ, খাজুৰীখাচ, ভজনপুৰা, যমুনা বিহাৰ, মধুবন চ'ক, হেইদাৰপুৰ বডলি মোৰ, ভলচোৱা, মজলিছ পাৰ্ককে ধৰি বহুসংখ্যক অঞ্চলৰ জনসাধাৰণক উপকৃত কৰিব। অনুষ্ঠানতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লী মেট্ৰ'ৰ সৰ্বমুঠ ১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ তিনিটা নতুন ক'ৰিডৰৰো আধাৰশিলা স্থাপন কৰিব।

oooooooooo

কেন্দ্রীয় অনুসন্ধান সংস্থা চমুকৈ চি বি আইয়ে বেংকৰ ঋণ জালিয়াতিৰ অভিযোগত দেশৰ উদ্যোগপতি অনিল আম্বানীৰ লগতে আন বহু কেইজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। পাঞ্জাব নেচনেল বেংকৰ প্ৰবন্ধকৰ অভিযোগৰ ভিত্তিত ৰুজু কৰা গোচৰটো অনুসৰি ২০১৩ৰ পৰা ২০১৭ ভিতৰত অনিল আম্বানী আৰু তেওঁৰ সতীৰ্থসকলে এহেজাৰ কোটিতকৈ অধিক ধনৰ জালিয়াতি কৰিছিল। বেংক কৰ্তৃপক্ষই জনোৱা অনুসৰি তেওঁলোকে এই ধনসমূহ কোনো অজ্ঞাত স্থানলৈ স্থানান্তৰ কৰিছিল।

০০০০০০০

ৰেপ সংগীতৰ তাৰকাৰ পৰিচয়ৰ পৰা ৰাজনীতিৰ পথাৰলৈ অহা বলেন্দ্ৰ শ্বাহ নেতৃতাধীন ৰাষ্ট্ৰীয় স্বতন্ত্ৰ পাৰ্টি, চমুকৈ আৰ এচ পিয়ে নেপালত নতুন চৰকাৰ গঠন কৰিবলৈ সাজু হৈছে। বলেন হিচাপে সকলোৰে মাজত পৰিচিত ৩৫ বছৰ বয়সীয়া নেতাজনৰ দলটোৱে দেশখনৰ প্ৰতিষ্ঠিত ৰাজনৈতিক দলসমূহক পৰাভূত কৰি শেহতীয়া সংসদীয় নিৰ্বাচনত  নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰে। সম্প্ৰতি চলি থকা ভোটগণনাত এই বাতৰি যুগুতোৱাৰ পৰলৈ দলটোৱে ১০৬ টা সংসদীয় সমষ্টিত জয়লাভ কৰাৰ বিপৰীতে আন ১৮ টা সমষ্টিত আগবাঢ়ি আছে।

০০০০০০০

পশ্চিম এছিয়াত সামৰিক সংঘাত আৰম্ভ হোৱাৰ পাছত একৰ পৰা ৭ মাৰ্চৰ ভিতৰত উপসাগৰীয় অঞ্চলৰ পৰা ৫২ হাজাৰতকৈও অধিক ভাৰতীয় নাগৰিকক নিৰাপদে দেশলৈ ওভতাই অনা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয়, যে ভাৰত চৰকাৰে পশ্চিম এছিয়া আৰু উপসাগৰীয় অঞ্চলত চলি থকা সংঘাতসমূহ নিৰন্তৰ নীৰিক্ষণ কৰি আহিছে তথা হ্ৰস্বকালীন ভ্ৰমণৰ সময়ত আৱদ্ধ ভাৰতীয় নাগৰিকসকলৰ কল্যাণৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে কয়, যে যোৱা কিছুদিনত সমগ্ৰ অঞ্চলটোৰ আকাশমাৰ্গ আংশীকভাৱে মুকলি হোৱাৰ ফলত নিৰ্ধাৰিত আৰু অনিৰ্ধাৰিত উভয় বিমান সেৱা চলিবলৈ সক্ষম হৈছে, যাৰ ফলত আবদ্ধ যাত্ৰীসকলক ওভতাই অনাৰ ক্ষেত্ৰত সুবিধা হৈছে। এতিয়াও উপ-সাগৰীয় অঞ্চলত আবদ্ধ তথা অপেক্ষা কৰি থকা যাত্ৰীসকলে যাতে নিপৰাপদে ঘৰলৈ ওভতি আহিব পাৰে তাৰে বাবে অনাগত দিনত অধিক বিমানৰ পৰিকল্পনা কৰা হৈছে বুলি মুখপাত্ৰগৰাকীয়ে  উল্লেখ কৰে। অঞ্চলটোত থকা সকলো ভাৰতীয় নাগৰিকক স্থানীয় কৰ্তৃপক্ষৰ নিৰ্দেশনা আৰু ভাৰতীয় দুতাবাসে নিজ নিজ স্থানত জাৰি কৰা নিৰ্দেশনাসমূহ মানি চলিবলৈ শ্ৰী জয়ছোৱালে আহ্বান জনাইছে। ০০০০

পশ্চিম এচিয়াত চলি থকা সংঘাতৰ পৰিপ্ৰেক্ষিতত ২৫ মাৰ্চৰ পৰা ২৭ মাৰ্চলৈ কাটাৰৰ ডোহাত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ চমুকৈ আইচিচিৰ তিনিদিনীয়া বৈঠকখন এপ্ৰিললৈ পিছুৱাই দিয়া বুলি আইচিচিয়ে জানিবলৈ দিছে। বৈঠকত আইচিচিৰ বিভিন্ন বৰ্ডৰ সঞ্চালকসকলৰ লগতে বিষয়ববীয়াসকল উপস্থিত থাকিব। কাটাৰত ক্ৰিকেটৰ জনপ্ৰিয়তা বৃদ্ধি পোৱাৰ বাবেই আইচিচিয়ে কাটাৰক এই বৈঠকৰ স্থান হিচাপে নিৰ্বাচিত কৰিছে।

০০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি  আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। টি-২০ বিশ্বকাপত ভাৰতে চতুৰ্থবাৰলৈ ফাইনেলত অৱতীৰ্ণ হ'ব আৰু দলটোৱে তৃতীয়বাৰলৈ খিতাপ দখলৰ অভিলেখ ভংগ কৰাৰ লক্ষ্য লৈছে। আনহাতে নিউজিলেণ্ড দলটোৱে টি-২০ বিশ্বকাপৰ ফাইনেলত ট্ৰফী

দখলৰ লক্ষ্যৰে দ্বিতীয়বাৰলৈ অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা বৃহস্পতিবাৰে ইংলেণ্ডৰ বিৰুদ্ধে ৰোমাঞ্চকৰ ছেমি ফাইনেলত ৭ ৰানত জয়লাভ কৰে। একেদৰে আন এখন ছেমি ফাইনেলত নিউজিলেণ্ডে ফিন এলেনৰ দ্ৰুততম শতকেৰে দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০০ সমাপ্ত